
# পাঠ - ১
# পৰিয়াল

তুমি কেতিয়াবা ঘৰত একেবাৰে অকলশৰীয়াকৈ থাকি পাইছানে? কেনেকুৱা লাগে বাৰু? নিশ্চয় বেয়া লাগে, নহয়নে? কিন্তু ঘৰত মা-দেউতা, বাই-ভনী আদিৰে ঘৰখন পূৰ্ণ হৈ থাকিলে আমাৰ মনত আনন্দ লাগে। আমি সুৰক্ষিত অনুভৱ কৰোঁ। মা-দেউতা, বাই-ভনী, দাদা-ভাইটি সকলো মিলিয়েই হৈছে **পৰিয়াল**। আমি প্ৰত্যেকেই নিজৰ নিজৰ পৰিয়ালৰ পৰাই জীৱনটো আৰম্ভ কৰোঁ। পৰিয়াল সমাজৰ প্ৰাথমিক গোট। ই আমাক সমাজত চলিবৰ বাবে উপযোগী কৰি তোলে। পৰিয়ালৰ প্ৰতিজন সদস্যৰে নিজা নিজা দায়িত্ব আছে।

- মাক বা দেউতাক নাইবা পৰিয়ালৰ জ্যেষ্ঠজন হ'ল সেই পৰিয়ালৰ **মুৰব্বী**। তেওঁলোকে পৰিয়ালটো পৰিচালনা কৰে, ল'ৰা-ছোৱালীৰ যত্ন লয়, পৰিয়ালৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰ লয়। ইয়াৰ উপৰি পৰিয়ালৰ সদস্যৰ বাবে প্ৰয়োজনীয় বুলি বিবেচনা কৰা সামগ্ৰীখিনি যোগান ধৰে।
- ল'ৰা-ছোৱালীয়ে মাক-দেউতাক আৰু পৰিয়ালৰ আন জ্যেষ্ঠসকলক সন্মান কৰে আৰু তেওঁলোকক কিছুমান সৰু-সুৰা কামতো সহায় কৰে।
- পৰিয়ালৰ প্ৰতিজন সদস্যই ইজনে সিজনক ভাল পায়, শ্ৰদ্ধা, মৰম আৰু বিশ্বাস কৰে।

**পৰিয়ালসমূহ শৃংখলাবদ্ধভাৱে চলিবৰ বাবে প্ৰত্যেকৰে নিজা নিজা কিছুমান নীতি-নিয়ম থাকে। তদুপৰি প্ৰতিটো পৰিয়াল শান্তিপূৰ্ণভাৱে চলিবৰ বাবে পৰিয়ালৰ প্ৰতিজন সদস্যই নিজৰ নিজৰ ভূমিকা পালন কৰে।**

পৰিয়ালৰ ছবি দুখন চাই দলত আলোচনা কৰি সিপিঠিৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া-



প্ৰথম পৰিয়াল



দ্বিতীয় পৰিয়াল

➤ দলত আলোচনা কৰি কোৱা-

- দুয়োটা পৰিয়াল একেইনে? দুয়োটা পৰিয়ালৰ মাজত কি কি অমিল দেখিছা?
- প্ৰথমটো পৰিয়ালৰ সদস্য কেইজন?
- দ্বিতীয়টো পৰিয়ালৰ সদস্য কেইজন?



**এতিয়া আমি ছবিত দেখা দ্বিতীয়টো পৰিয়ালৰ বিষয়ে কিছু কথা জানি লওঁ আহা-**

**অনিতাৰ পৰিয়াল-**

মাক-দেউতাক, ককাক-আইতাক, খুড়াক-খুড়ীয়েক আৰু পেহীয়েকৰ সৈতে অনিতা শিৱসাগৰ জিলাৰ নাজিৰাত থাকে।



খুড়ীয়েকে তাইক বিদ্যালয়লৈ যাবলৈ সাজু কৰি দিয়ে আৰু খুড়াকে অফিচলৈ যাওঁতে তাইক বিদ্যালয়ত থৈ যায়। বিদ্যালয়ৰ পৰা আহি অনিতাই খুড়াক-খুড়ীয়েকৰ অকণমানি ল'ৰা জিণ্টুৰ সৈতে খেলিবলৈ বৰ ভাল পায়। তাই জিণ্টুক বৰ মৰম কৰে। কেতিয়াবা তাই জিণ্টুক গা ধুৱাই দিয়ে, কাপোৰ-কানিও পিন্ধাই দিয়ে।



আইতাক-ককাকেও অনিতাক বৰ মৰম কৰে। আবেলি মাজে মাজে তাই ককাকৰ সৈতে ফুলনিত পানী দিয়ে। ৰাতি শুৱাৰ সময়ত আইতাকে তাইক নানা সাধু শুনায়।



প্ৰত্যেক দেওবাৰে পেহীয়েকে অনিতাক গান শিকায়। এই বাৰ বিদ্যালয়ৰ বাৰ্ষিক অধিৱেশনত হোৱা জ্যোতি সংগীত প্ৰতিযোগিতাত অনিতাই প্ৰথম পুৰস্কাৰ পাইছে। পুৰস্কাৰটো ঘৰলৈ আনি সকলোকে দেখুৱাওঁতে ঘৰখনত এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হ'ল। সকলোৱে অনিতাক প্ৰশংসা কৰিলে।

অনিতাই নিজৰ পঢ়া টেবুলখন আৰু কিতাপ-পত্ৰবোৰ পৰিষ্কাৰ কৰি পৰিপাটিকৈ ৰাখে। সন্ধিয়া দেউতাক দুৰণিৰ অফিচৰ পৰা উভতি আহোঁতে পলম হয় বাবে মাকেই তাইৰ পঢ়া-শুনাৰ যত্ন লয়।



এনেকৈয়ে অনিতাহঁতৰ পৰিয়ালটো মিলা-প্ৰীতি আৰু ইজনে-সিজনক কৰা সহায়-সহযোগিতাৰ মাজেৰে চলি আছে।

**অনিতাৰ পৰিয়ালটো হৈছে যৌথ পৰিয়াল। যৌথ পৰিয়াল এটাত ককাক-আইতাক, খুড়াক-খুড়ীয়েক, পেহীয়েক, মাক-দেউতাক আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী সকলোৱে একেলগে থাকে। কিছুমান যৌথ পৰিয়ালত আজোককা-আজোআইতা আৰু আন আন সদস্যও থাকে। আইতা-ককা, মা-দেউতা, বৰদেউতা-বৰমা, খুড়া-খুড়ী আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী, পেহী এই আটাইবোৰেই হৈছে এটা যৌথ পৰিয়ালৰ একো একোজন সদস্য।**

➢ ওপৰত দিয়া অনিতাৰ পৰিয়ালটোৰ বৰ্ণনাৰ আলমত তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা —

- অনিতাৰ পৰিয়ালটোত কোন কোন আছে?
- পৰিয়ালৰ কোন কেইজন সদস্যই তাইৰ যত্ন লয়?
- পৰিয়ালৰ কোন কোন সদস্যই উপাৰ্জন কৰে?
- অনিতাই খুড়াকৰ ল'ৰা জিণ্টুৰ কেনেদৰে যত্ন লয়?
- অনিতাৰ পৰিয়ালটোৰ মুৰব্বী কোন?



**চিন্তা কৰি লিখা-**

মণি, পৰী আৰু জুৰি তিনিগৰাকী সহপাঠী একেলগে এটা ভাৰাঘৰত থাকে। এইটো এটা পৰিয়ালনে?

যদি হয় কিয়? ..................................................................................................

যদি নহয় কিয়? ................................................................................................

যৌথ পৰিয়ালত বহুখিনি সুবিধা থাকে, যিখিনি একক পৰিয়ালত কম দেখা যায়। এটা যৌথ পৰিয়ালত উপাৰ্জন কৰোঁতা এজন বা ততোধিক হ'ব পাৰে। সকলোৰে সহযোগত ঘৰখনৰ কাম-কাজবোৰ নিয়াৰিকৈ চলি থাকে। জ্যেষ্ঠজনক সন্মান জনোৱা হয়। সৰুক মৰম কৰাৰ লগতে সিহঁতৰ যত্ন আৰু দায়িত্ব লোৱা হয়। এনেকৈ সকলো পৰিয়ালতে মৰম-স্নেহ, মিলা-প্ৰীতি আদিৰ মাজেৰে সদস্যসকলৰ মাজত এক আন্তৰিক তথা পাৰস্পৰিক সম্বন্ধ থাকে।

এতিয়া আন এটা পৰিয়ালৰ বিষয়ে কিছু কথা জানি লওঁ আহা-

## শশাংকুৰ পৰিয়াল

শশাংকু মাক-দেউতাকৰ লগত শোণিতপুৰ জিলাৰ চতিয়াত থাকে। সি ঘৰৰ ওচৰতে থকা প্ৰাক্-প্ৰাথমিক বিদ্যালয়খনত পঢ়ে। মাকে তাক সদায় ৰাতিপুৱা হাতখন জোকাৰি জগাই দিয়ে। শশাংকুৱে ভালকৈ কথা ক'ব নোৱাৰে বাবে মাক-দেউতাক, সহপাঠী আৰু ওচৰ চুবুৰীয়াৰ লগত আকাৰ-ইংগিতেৰে কথা পাতে। শশাংকুৱে বিছনাৰ পৰা ৰাতিপুৱা শুই উঠি হাত-মুখ ধুই মাকক মাতি আকাৰ-ইংগিতেৰে খাবলৈ বিচাৰে। মাকেও তাৰ কথা বুজি পাই লৰালৰিকৈ খাবলৈ দিয়ে। খোৱাৰ পিছত সি দেউতাকৰ লগত নানা খেল খেলে।





বিদ্যালয়লৈ যাবৰ সময় হ'লে মাকে তাক পোছাক পিন্ধাই দিয়ে। প্ৰথম অৱস্থাত বিদ্যালয়লৈ যাবলৈ সি বৰ কন্দা-কটা কৰি মাকক চিন্তাত পেলাইছিল। মাকৰ এতিয়া চিন্তা কমিছে কাৰণ সি বিদ্যালয়লৈ যাবলৈ ভাল পোৱা হৈছে।

বিদ্যালয়ত শশাংকুই আন সহপাঠীৰ লগত একেলগে বেঞ্চত বহে, পঢ়া-শুনা কৰে আৰু নানা ধৰণৰ খেল খেলে। সৰুৰে পৰা শশাংকু সকলো কামতে উৎসাহী। তাৰ ছবি অঁকাত বৰ ৰাপ। সেয়েহে ধুনীয়া ধুনীয়া ছবি আঁকি শ্ৰেণীকোঠাত আঁৰি থয়। সি ভালদৰে শুনা নাপায় বাবে শ্ৰৱণযন্ত্ৰ ব্যৱহাৰ কৰে। শ্ৰেণীকোঠাত শিক্ষয়িত্ৰীয়ে সদায় শ্ৰৱণযন্ত্ৰটো ঠিকমতে কাম কৰিছেনে নাই পৰীক্ষা কৰি লয়। সিও এই কামটোত শিক্ষয়িত্ৰীগৰাকীক সহযোগ কৰে। শিক্ষয়িত্ৰীগৰাকীয়েও মাকৰ দৰে শশাংকুৰ সৈতে আকাৰ-ইংগিতেৰে তাৰ লগত কথা পাতে। শ্ৰেণীকোঠাৰ অন্যান্য ছাত্ৰ-ছাত্ৰীয়েও অনুসৰণ কৰি আকাৰ-ইংগিতেৰে শশাংকুৰ লগত কথা পাতিবলৈ চেষ্টা কৰে।


শশাংকুৱে সহপাঠীৰ লগত বিদ্যালয়ত থকা নানাধৰণৰ পুতলা, সাঁথৰ আৰু কাঠৰ টুকুৰা লগলগাই বস্তু সজা আদি খেল খেলে। শিক্ষয়িত্ৰীয়ে শ্ৰেণীকোঠাত সাধুকথা ক'লে লগে লগে শশাংকুকো ইংগিত আৰু অংগ ভংগীৰে সাধুকথাটো বুজাই দিয়ে। শশাংকুহঁতে কিছুমান দলগত ক্ৰিয়া-কলাপ কৰাৰ পাছত সকলোৱে লঘু আহাৰৰ বিৰতি পায়।





বিৰতিৰ পিছত বিদ্যালয়লৈ নিয়মীয়াকৈ অহা বাক্ চিকিৎসকজনে শশাংকু আৰু সেইখন বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীত পঢ়ি থকা আন এগৰাকী ছাত্ৰীক কথনৰ অনুশীলন কৰায়। বিদ্যালয় ছুটী হ'লে শশাংকুৰ মাক আহি তাক ঘৰলৈ লৈ যায়।

ক্ৰিকেট শশাংকুৰ প্ৰিয় খেল। ভাৰতৰ লগত আন দেশৰ ক্ৰিকেট খেল থাকিলে সি টেলিভিছনৰ আগত বহি খেল উপভোগ কৰে। ভাৰতীয় খেলুৱৈয়ে ছয় বা চাৰি মাৰিলে সি চিঞৰি হাত চাপৰি বজায়। আজৰি সময়ত সি সমনীয়াৰ লগত ক্ৰিকেট খেলিবলৈ ওলাই যায়। সি হেনো ডাঙৰ হ'লে এজন ক্ৰিকেট খেলুৱৈ হ'ব। দেউতাক গধূলি অফিচৰ পৰা ঘৰলৈ আহিলে দৌৰি গৈ সি দেউতাকক সাৱটি ধৰে। সি দেউতাকক দিনটোৰ কথাবোৰ অংগ-ভংগী আৰু ইংগিতেৰে বুজায়। ৰাতি ভাত খোৱাৰ পিছত সি মাক-দেউতাকৰ লগত শুবলৈ যায়। শান্ত স্বভাৱৰ শশাংকুক ওচৰ-চুবুৰীয়া আৰু বিদ্যালয়ৰ সকলোৱে বৰ ভাল পায় আৰু মৰম কৰে।



**শ্ৰৱণ কথনৰ অসুবিধাৰ দৰে দৃষ্টি, চলন-ফুৰণ, মানসিক আৰু শিকন অসমৰ্থতা থকা শিশুসকলো আমাৰ দৰে একো একোজন। মাত্ৰ তেওঁলোকৰ প্ৰয়োজনীয়তা ভিন ভিন। সেই প্ৰয়োজনীয়তাসমূহ পূৰণ কৰি, মৰম-চেনেহেৰে আঁকোৱালি লৈ আগবঢ়াই যোৱাত সহায় কৰাটো আমাৰ সকলোৰে দায়িত্ব।**

**শাশাংকুৰ পৰিয়ালটো হৈছে একক পৰিয়াল। একক পৰিয়ালত কেৱল মাক-দেউতাক আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী একেলগে থাকে।**

➤ তোমালোকৰ ওচৰতে থকা পৰিয়াল এটাৰ ঘৰলৈ গৈ তলৰ তথ্যখিনি সংগ্ৰহ কৰা-

(শিক্ষক-শিক্ষয়িত্ৰী বা অভিভাৱকৰ সহায় ল'বা)

(ক) পৰিয়ালটোৰ সদস্যৰ সংখ্যা কিমান? ..........

(খ) পৰিয়ালটো একক নে যৌথ পৰিয়াল? ..........

(গ) পৰিয়ালৰ মুৰব্বী কোন? ..........

(ঘ) পৰিয়ালটোৰ উপাৰ্জন কৰা সদস্য কেইজন? ..........

(ঙ) পৰিয়ালটোত ১৫ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ সংখ্যা কিমান? ..........

(চ) পৰিয়ালটোত কথা কোৱা আৰু শুনাৰ অসুবিধা থকা ল'ৰা-ছোৱালী আছে নেকি? ..........

(ছ) তেওঁলোকৰ পঢ়া-শুনাৰ যত্ন কোনে লয়? ..........

**ক্ৰিয়া-কলাপ**

- তোমাৰ পৰিয়ালত কোন কোন সদস্য আছে?
- অনিতাহঁতৰ 'পৰিয়াল বৃক্ষ'জোপা চাই তোমালোকেও নিজৰ নিজৰ 'পৰিয়াল বৃক্ষ' একোজোপা আঁকা।



## অনুশীলনী

১। চমু উত্তৰ দিয়া-

(ক) পৰিয়াল এটা কোনে পৰিচালনা কৰে?

(খ) অনিতাৰ পৰিয়ালৰ সদস্য কেইজন?

(গ) অনিতাৰ পৰিয়ালটো কোনটো পৰিয়ালৰ অন্তৰ্গত?

(ঘ) শশাংকুৰ পৰিয়ালটো কি পৰিয়াল?

২। খালী ঠাই পূৰ কৰা-

(ক) সমাজৰ এটা প্ৰাথমিক গোট হ'ল পৰিয়াল।

(খ) পৰিয়াল এটা শৃংখলাবদ্ধভাৱে চলিবৰ বাবে প্ৰতিটো পৰিয়ালৰ বাবে নিজা নিজা দায়িত্ব থাকে।

(গ) শশাংকুৱে ধুনীয়া ছবি আঁকে।

(ঘ) শিক্ষয়িত্ৰীয়ে শশাংকুক সাধুকথা ইংগিতে ৰে বুজায়।

৩। উত্তৰ লিখা-

(ক) একক পৰিয়াল বুলিলে কি বুজা?

(খ) শশাংকুৱে কিয় ইংগিতেৰে কথা পাতে?

(গ) যৌথ পৰিয়াল বুলিলে কি বুজা?

(ঘ) শশাংকুৱে বিদ্যালয়ত লগৰীয়াৰ লগত কি কি কৰে?

৪। তলত দিয়া সদস্যসকলৰ সম্পৰ্ক বিচাৰি উলিয়াই **'ক'** অংশৰ লগত **'খ'** অংশ মিলোৱা-

| **'ক'** | **'খ'** |
|---|---|
| দেউতাৰ ককায়েক | পেহী |
| ককাৰ দেউতাক | বৰদেউতা |
| দেউতাৰ মাক | মামা |
| মাৰ ভায়েক | ককা |
| দেউতাৰ ভনীয়েক | আইতা |
| মাৰ দেউতাক | আজোককা |

৫। তোমালোকৰ নিজৰ নিজৰ পৰিয়ালৰ বিষয়ে পাঁচটাকৈ বাক্য লিখা।